নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ❑ যোৰহাট সংস্কৰণ ❑ মুঠ পৃষ্ঠা ১২

৯৩৪, ০৩৬১-২৪৭৭২৯১/২ দ্বাদশ বছৰ সংখ্যা ২৯৯ বুধবাৰ ২৬ ভাদ ১৯৪৫ শক ১৩ ছেপ্টেম্বৰ ২০২৩ চন ASOMIYA KHABAR JORHAT WEDNESDAY

## ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত উচ্চশিক্ষা সঞ্চালকালয়, অসমৰ উপ-সঞ্চালকক সম্বৰ্ধনা

ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড, ১২ ছেপ্টেম্বৰ ঃ 'আমি সদায় সত্যত থাকিব লাগিব, অসত্য কেতিয়াও জীৱন হ'ব নোৱাৰে।' ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত মত-বিনিময় অনুষ্ঠানত অংশ গ্ৰহণ কৰি উচ্চশিক্ষা সঞ্চালকালয়, অসমৰ উপ-সঞ্চালক চিন্ময়ী তালুকদাৰে আজি এইদৰে কয়। তেওঁ কয়— সদায় সত্যত থাকি জীৱনটোক আগুৱাই নিবলৈ চেষ্টা কৰিব লাগে। মহাবিদ্যালয়ৰ মুখ্যদ্বাৰৰ পৰা সভাকক্ষলৈ গায়ন-বায়ন আৰু এন চি চিৰ কেডেটে আদৰণি জনাই অনা অনুষ্ঠানত উপ-সঞ্চালক তালুকদাৰে কয় — নেৰানেপেৰা প্ৰচেষ্টাই জীৱনত যিকোনো কামৰ সফলতা আনি দিব পাৰে। পৃথিৱীত কোনো কামেই সহজ নহয়। কিন্তু নেৰানেপেৰা চেষ্টাই সকলো কামেই সহজ কৰি তুলিব পাৰে আৰু জীৱনলৈ সফলতা কঢ়িয়াই আনিব পাৰে। তেওঁ কয়— সকলোৰে



সমাজৰ বাবে কিবা এটা কৰাৰ দায়িত্ব থাকে। সেই দায়িত্ব সকলোৰে বেলেগ বেলেগ হয় বুলি মন্তব্য কৰি কয়, এজন শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক কি দিব পাৰিছে, এজন প্ৰশাসকে সমাজক কি দিব পাৰিছে সেইটো নিৰ্ভৰ কৰে ব্যক্তিজনৰ সমাজৰ প্ৰতি থকা দায়িত্ব, কৰ্তব্য আৰু নিষ্ঠাৰ ওপৰত। পোন প্ৰথমবাৰৰ বাবে ডি এইছ এছ কানৈ মহাবিদ্যালয়ত উপস্থিত হোৱা উপ-সঞ্চালকগৰাকীক মহাবিদ্যালয়ৰ পৰিয়ালৰ তৰফৰ পৰা প্ৰদান কৰা সম্বৰ্ধনা-পত্ৰ, স্মাৰক আৰু কিতাপৰ টোপোলা গ্ৰহণ কৰি সঞ্চালকগৰাকীয়ে কয়— কানৈ মহাবিদ্যালয়ে গায়ন-বায়ন, এন চি চিৰ কেডেটে আদৰণি জনাই এনে এক সম্বৰ্ধনা জনোৱাটো মোৰ জীৱনৰ মানসপটত চিৰদিন স্মৃতি হৈ থাকিব। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° মনমী বৰুৱাই আঁতধৰা অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। ছাত্ৰী ডেইজী দিহিঙ্গীয়াইপৰিৱেশন কৰা গীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° অনুপজ্যোতি ভৰালী, শৈক্ষিক সমন্বয়ক ড° অনন্ত কুমাৰ দত্তকে ধৰি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শলাগ জ্ঞাপন কৰে মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° বিৰাজ দত্তই।

---

## গৰৰ লাকাৰৰ ৱসান

শিৱসাগৰ, ১২ াগৰ ফুকন নগৰ শিৱসাগৰ পশু ৰ্মচাৰী পৰেশ -ৰ যোৱা ১০ ীৰ এখন ব্যক্তিগত ঙ্কিয়া ৬ বজাত গত কিছুদিন ধৰি ত থকা ধৰ্মপ্ৰাণ মৃত্যুৰ সময়ত পুত্ৰক এৰি থৈ ত্যুত শিৱসাগৰ ন সুৰক্ষা পৰিষদ অনুষ্ঠান সেৱাই কাশ কৰিছে।

---

## হাৰণ ২০২৩-২৪ত অংশগ্ৰহণৰ অনলাইন নাম পঞ্জীয়নৰ আহ্বান

ছেপ্টেম্বৰ ঃ অহা ১ নৱেম্বৰ, ২০২৩-ৰ পৰা ৰাজ্যখনত খেল মহাৰণ অধীনত এথলেটিকছ, ফুটবল, ভলীবল, কাবাডী আৰু খো খো শাখাৰ ৰ্ছ ইভেন্ট অনুষ্ঠিত হ'ব। বয়সৰ ভিত্তিত ১৯ বছৰৰ অনূৰ্দ্ধৰ পুৰুষ আৰু বছৰ উৰ্দ্ধৰ পুৰুষ আৰু মহিলাই অংশ গ্ৰহণ কৰিব পাৰিব। এই সন্দৰ্ভত ৰ কল্যাণ সঞ্চালকালয়, অসমে খেল মহাৰণৰ পঞ্জীয়ন লিংক am. com/khel শ্বেয়াৰ কৰিছে আৰু অংশ গ্ৰহণকাৰীসকলক তেওঁলোকৰ ত সুবিধা প্ৰদানৰ বাবে কাৰ্যক্ষম হৈ আছে। গতিকে অধিক অংশ গ্ৰহণকাৰীৰ ্যালয়, মহাবিদ্যালয়, ৰাজহ চক্ৰ, উন্নয়ন খণ্ড, পঞ্চায়ত, এছ'চিয়েচন, ক্লাব, ৰ খেলুৱৈসকলে https://dsywassam. com/khel ৱেবছাইটত পঞ্জীয়ন ৰাণ ২০২৩-২৪-ত অংশগ্ৰহণ কৰিব পাৰিব। সবিশেষ জানিবৰ ক্ৰীড়া বিষয়া, যোৰহাটৰ লগত যোগাযোগ কৰিব পাৰিব।

ম ভিত্তিত ভূপেন্দ্ৰ সংগীত, নৃত্য, তৰ্ক, কুইজ, গল্প প্ৰতিযোগিতাৰ আহ্বান

---

| Sl. No. | |
|---|---|
| 1 | Cons... vario... Bisw... |

Janasa...

No. WR (...

for app... Departm... at 11:00... Resourc... above t... includin... applicat...

Certific... District... Further... regardi... candida... the date...

Assam ... Guwaha... docume...

wrdass...

Janasa...

No.SR/Q...